بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**জি কৰদ যুদ্ধ, নাজাদৰ ফালে হজৰত আবান বিন ছাঈদৰ অভিযান আৰু খায়বৰৰ যুদ্ধৰ প্ৰেক্ষাপটত নবী কৰিম (ছাঃ)ৰ জীৱনীৰ বৰ্ণনা**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৩১ জানুৱাৰী ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشۡهَدُ أَنۡ لَا إِلٰهَ إِلَّا اللّٰهُ وَحۡدَهٗ لَا شَرِيۡكَ لَهٗ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهٗ وَرَسُوۡلُهٗ أَمَّا بَعۡدُ فَأَعُوۡذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ. بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ. اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ. الرَّحۡمٰنِ الرَّحِيۡمِ. مٰلِكِ يَوۡمِ الدِّيۡنِ. إِيَّاكَ نَعۡبُدُ وَإِيَّاكَ نَسۡتَعِيۡنُ. اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ. صِرَاطَ الَّذِيۡنَ أَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ.

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে যোৱা জুমাত জি কৰদ যুদ্ধৰ বৰ্ণনা চলি আছিল। যিদৰে কোৱা হৈছিল যে আঁহজৰত (ছাঃ)য়ে এই যুদ্ধত অংশ গ্ৰহণ কৰাৰ আগতে কিছুমান চাহাবা সকলক শত্ৰুসকলৰ ফালে ৰাওনা কৰিছিল; আৰু ইয়াৰ পিছত তেখেত (ছাঃ)য়ে তেওঁলোকৰ পিছে পিছে নিজৰ সেনা বাহিনী লৈ ৰাওনা হয়। এই সন্দৰ্ভত বিস্তাৰিত ভাৱে লিখিছে যে যেতিয়া আঁহজৰত (ছাঃ) আৰু চাহাবা (ৰাঃ)তাতে উপস্থিত হয় তেতিয়া শত্ৰু পক্ষৰ সেনা বাহিনীয়ে তেওঁলোকক দেখা পাই তাৰ পৰা পলায়ন কৰে। যেতিয়া মুছলমান সকলে শত্ৰুৰ কেম্পৰ ঠাইত গৈ পায় তাতে আবু কাতাদা (ৰাঃ)ৰ ঘোঁৰা আছিল যিটোৰ গোৰা কাটি পেলোৱা হৈছিল। আঁহজৰত (ছাঃ)য়ে সেইটোৰ ওচৰত গৈ থিয় হৈ দুবাৰকৈ কয় যে আপোনাৰ বাবে শুভকামনা! যুদ্ধত তোমাৰ শত্ৰুৰ সংখ্যা কিমান। ইয়াৰ পিছত ৰছুলে কৰিম (ছাঃ) আৰু চাহাবা (ৰাঃ)সকলে আগলৈ ৰাওনা হয় আৰু সেই ঠাইত গৈ উপস্থিত হয় য'ত আবু কাতাদা (ৰাঃ) আৰু মুছইদাই মল্লযুঁজ কৰিছিল। (যোৱা খোতবাত এই সম্পৰ্কে বৰ্ণনা কৰা হৈছিল), তেওঁলোকে ভাৱিলে যে আবু কাতাদা (ৰাঃ)চাদৰ মেৰোৱাই শুই আছে। এজন চাহাবাই কলে যে হে আল্লাহৰ ৰছুল (ছাঃ)! আবু কাতাদা যেন শ্বহীদ হৈ গৈছে। তেখেত (ছাঃ)য়ে কলে যে আল্লাহ আবু কাতাদাৰ ওপৰত দয়া কৰক। সেই অস্তিত্বৰ শপত, যিজনাই মোক সন্মান প্ৰদান কৰিছে, আবু কাতাদা শত্ৰুসকলৰ পিছফালে আছে আৰু ৰিজাজ (যুদ্ধত সেনা-বাহিনীৰ প্ৰশংসাত কবিতা পঢ়া) পঢ়ি আছিল। হজৰত আবু বক্কৰ (ৰাঃ) আৰু হজৰত উমৰ (ৰাঃ)য়ে সোনকালে আগবাঢ়ি গৈ চাদৰখন

আঁতৰায়, তেতিয়া মুছাইদাৰ চেহেৰা দেখা পায়। দুয়োজনে কয় যে আল্লাহ্ আকবৰ ! আল্লাহ্ আৰু তাৰ ৰছুলে সঁচা কৈছে। হে আল্লাহৰ ৰছুল (ছাঃ) এইজন মুছাইদা হয়। তেতিয়া চাহাবা সকলেও তকবিৰ কলে। কিছু সময় পিছত হজৰত আবু কাতাদা (ৰাঃ) য়ে উটবোৰ খেদি খেদি আঁহজৰত (ছাঃ)ৰ সেৱাত উপস্থিত হয়।

তেখেত (ছাঃ)য়ে কলে যে হে আবু কাতাদা ! তুমি সফলতা লাভ কৰিছা। আবু কাতাদা অশ্বাৰোহী সকলৰ চৰ্দাৰ হয়। হে আবু কাতাদা ! আল্লাই তোমাৰ ওপৰত কল্যাণ বৰ্ষিত কৰক। আনটো বৰ্ণনাত আছে যে তোমাৰ আৰু তোমাৰ সন্তান-সন্ততিৰ ওপৰত কল্যাণ বৰ্ষিত হওঁক। তেখেত (ছাঃ)য়ে কলে যে হে আবু কাতাদা, তোমাৰ চেহেৰাত এয়া কি হৈছে ? তেওঁ কলে যে মোৰ পিতৃ-মাতৃ আপোনাৰ ওপৰত কোৰবান, মোক এটা কাঁড় লাগিছিল। সেই অস্তিত্বৰ শপত, যিজনাই আপোনাক সন্মান প্ৰদান কৰিছে , মোৰ ধাৰণা আছিল যে মই কাঁড়খন উলিয়াই দিছিলোঁ। তেখেত (ছাঃ)য়ে কলে যে আবু কতাদা মোৰ কাষ চাপি আহা। মই কাষ চাপি গলো তেতিয়া তেখেত (ছাঃ)য়ে কোমলতাৰে কাঁড়খন উলিয়ালে আৰু নিজৰ থুক লগাই নিজৰ হাতখন তাৰ ওপৰত ঘূৰালে। তেওঁ কলে যে সেই অস্তিত্বৰ শপত ! যিজনাই আপোনাক নবুয়ত দান কৰিছে, মই এনেকুৰা অনুভৱ কৰিছিলোঁ যেন মোৰ কোনো আঘাত হোৱাই নাছিল আৰু ক্ষতও হোৱা নাছিল। এটা বৰ্ণনাত আছে যে ৰছুলুল্লাহ (ছাঃ)য়ে যেতিয়া আবু কাতাদা (ৰাঃ)ক কলে যে হে আল্লাহ ! তেওঁৰ চুলি আৰু ছালত কল্যাণ প্ৰদান কৰা; আৰু কলে যে তোমাৰ চেহেৰা সফল হৈ গৈছে। মই কলো যে হে আল্লাহৰ ৰছুল (ছাঃ)! আপোনাৰ চেহেৰা সফল হৈছে। সত্তৰ বছৰ বয়সত যেতিয়া তেখেত (ৰাঃ)ৰ মৃত্যু হয় তেতিয়াও কৈছিল যে সেই চেহেৰা দেখি পোন্ধৰ বছৰীয়া বয়সৰ যেন লাগিছিল।

ৰছুলুল্লাহ (ছাঃ)ৰ জুলকৰদ গৈ পোৱা সন্দৰ্ভত বৰ্ণনা কৰা হৈছে যে হজৰত ছালমা (ৰাঃ)য়ে কৈছে যে তেখেত (ছাঃ) ঈশ্বাৰ সময়ত গৈ উপস্থিত হয় আৰু এখন নিজৰাৰ কাষতে শিবিৰ পাতে, য'ত মই শত্ৰুক ৰুদ্ধ কৰি ৰাখিছিলোঁ। উটবোৰ আৰু সেই সমূহ বস্তু যিবোৰ মই শত্ৰুৰ পৰা কাঢ়ি লৈছিলো সেইবোৰ তেখেত (ছাঃ)ৰ অধীনস্থ কৰিছিলোঁ। হজৰত বিলাল (ৰাঃ)য়ে সেই উটবোৰৰ পৰা এটা উট জবাহ কৰিলে যিটো শত্ৰুৰ পৰা কাঢ়ি লোৱা হৈছিল। তেখেত (ছাঃ)ৰ বাবে সেই উটৰ যকৃত আৰু কুঁজা ভাজীলে। হজৰত ছাআদ বিন উবাদ (ৰাঃ)য়ে খেজুৰৰ বোজাৰে বহন কৰা দহটা উট পঠিয়ালে, যিবোৰ তেখেত (ছাঃ)য়ে জুল কৰদ ঠাইত পাইছিল।

হজৰত ছালমাই ৰছুলুল্লাহ (ছাঃ)ক কৈছে যে মই শত্ৰুসকলক পানী দিয়া বন্ধ কৰিছিলোঁ, তেওঁলোকে তৃষ্ণাতুৰ আছিল। আপুনি মোক এশ মুজাহিদৰ সৈতে ৰাওনা কৰক; মই তেওঁলোকৰ পিছানুসৰণ কৰি প্ৰতিজন সংবাদদাতাক হত্যা কৰি পেলাম। তেখেত (ছাঃ)য়ে হাঁহিব ধৰিলে, যাৰ ফলত জুইৰ পোহৰত তেখেত (ছাঃ)ৰ কল্যাণময় দাঁত দেখা গ'ল। তেখেত (ছাঃ)য়ে কলে যে ছালমা ! তুমি এনেকুৰা কৰিব পাৰিবা নে ? মই কলো যে তেখেত (ছাঃ)ক সন্মান প্ৰদান কৰোঁতাৰ শপত ! হয়। তেখেত (ছাঃ)য়ে কলে মালাকাত ফাছ্‌জিহ অৰ্থাৎ তুমি তেওঁলোকৰ ওপৰত বিজয় লাভ কৰিলা, সেয়ে নম্ৰতা অৱলম্বন কৰা। এইটো আৰবৰ প্ৰবাদৰ মাজৰ এটা প্ৰবাদ যে উত্তম ক্ষমা এইটো যে বিনম্ৰতা অৱলম্বন কৰা কঠোৰতাৰ সৈতে কাম নকৰিবা।

এই যুদ্ধৰ বাবে ৰছুলুল্লাহ (ছাঃ)য়ে বুধবাৰ দিনা ৰাতিপুৱা ৰাওনা হয় আৰু তেখেত (ছাঃ)য়ে এটা ৰাতি আৰু এদিন জুলকিৰদত অৱস্থান কৰে, যাতে শত্ৰুসকলৰ কোনো খা-খবৰ ল'ব পৰা যায়। ইয়াৰ পিছত সোমবাৰ দিনা মদিনালৈ উভতি যায়, অৰ্থাৎ তেখেত (ছাঃ)য়ে পাঁচ ৰাতি মদিনাৰ বাহিৰত অৱস্থান

কৰে।

এতিয়া এটা অভিযানৰ কথা উল্লেখ কৰিম, এই অভিযান আবান বিন নাজাদৰ ফালে হোৱা বুলি কোৱা হয়। এই অভিযান মহৰম মাহৰ ৭ তাৰিখত হৈছিল। আন এটা বৰ্ণনা অনুযায়ী এই অভিযান জমাদিছ্ ছানিৰ ৭ হিজৰী তাৰিখত হৈছিল। হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে এইটোক মহৰমৰ ৭ হিজৰী তাৰিখত হৈছিল বুলি লিখিছে, যিটো অধিক সঠিক। হজৰত আবান (ৰাঃ)ৰ পিতৃ কুৰাইছ সকলৰ মাজৰ আছিল, তেওঁৰ ভাতৃ উমৰু আৰু খালিদ আগতেই মুছলমান হৈ গৈছিল। তেখেত (ৰাঃ)য়ে তেৰ হিজৰীত শ্বহীদ হৈছিল। এটা বৰ্ণনা অনুযায়ী ২৭ হিজৰীত হজৰত উছমান (ৰাঃ)ৰ খলিফাৰ যুগত মৃত্যু বৰণ কৰিছিল। এই অভিযানৰ উল্লেখ ছহী বুখাৰীত এইদৰে আছে যে ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত আবান (ৰাঃ)ক এটা অভিযানৰ বাবে নিযুক্ত কৰি মদিনাৰ পৰা নাজাদৰ ফালে পঠিয়ায়। হজৰত আবু হুৰাইৰা (ৰাঃ)য়ে কৈছে যে আবান আৰু তেওঁৰ লগৰীয়া সকলে পুনৰায় নবী কৰিম (ছাঃ)ৰ ওচৰত খায়বাৰত আহি উপস্থিত হয়; ইয়াৰ পিছত তেখেত (ৰাঃ)য়ে ইযাক জয় কৰি লৈছিল।

এটা বিখ্যাত যুদ্ধৰ কথা ইতিহাসত উল্লেখ পোৱা যায়, যাক খায়বৰৰ যুদ্ধ কোৱা হয়। খায়বৰ বিশাল সেইজীয়া ঠাই য'ত নিজৰা আৰু অধিক পৰিমাণে পানীৰে ভৰা আছিল, আৰু আৰব দ্বীপত সকলোতকৈ ডাঙৰ খেজুৰৰ ঠাই বুলি গণ্য কৰা হৈছিল। ইতিহাসৰ বৰ্ণনা অনুযায়ী হজৰত মুছা (আঃ)ৰ যুগৰ পৰা তাতে বনি ইস্ৰাইলৰ ইহুদী সকলে বসবাস কৰিছিল; আৰু কিছু বৰ্ণনা আছে যাৰ জৰিয়তে জানিব পাৰি যে খায়বৰত প্ৰাচীন কালৰে পৰাই ডাঙৰ ডাঙৰ দুৰ্গ নিৰ্মাণ কৰি ইহুদীসকল বসবাস কৰিছিল। হিব্ৰু ভাষাত খায়বৰৰ অৰ্থ হৈছে দুৰ্গ। ইহুদীসকলৰ কিছু জাতি মদিনাত বসবাস কৰিছিল, কিন্তু খায়বৰৰ ইহুদী সকলৰ মাজত এটা পাৰ্থক্য আছিল যে ইয়াৰে ইহুদীসকল আন আন ইহুদীসকলতকৈ বীৰ আৰু যুদ্ধত বিজয় লাভ কৰাত আগবঢ়া আছিল। তেওঁলোকৰ মাজত পাৰস্পৰিক ঐক্যতা অইনসকলৰ তুলনাত অধিক বেছি আছিল। সেই কাৰণে আৰব দেশত শক্তি আৰু ক্ষমতাত একক বুলি গণ্য কৰা এটা জাতি আছিল। মদিনাৰ ইহুদীয়ে হওঁক বা খায়বৰৰ ইহুদীয়ে হওঁক, আঁহজৰত (ছাঃ) আৰু ইছলামৰ বিৰুদ্ধে সিহঁতৰ ষড়যন্ত্ৰ আৰু বিদ্ৰোহী সীমা চেৰাই গৈছিল। ঘৃণা আৰু শত্ৰুতাত সীমা লঙ্ঘনকাৰী এই জাতিয়ে ইছলাম আৰু নবী কৰিম (ছাঃ)ৰ অস্তিত্বক শেষ কৰাৰ বাবে সকলো প্ৰকাৰ শক্তি প্ৰয়োগ কৰাত ত্ৰুটি এৰা নাছিল। মদিনাৰ পৰা নিৰ্বাসনৰ পিছত ইহুদীসকৰ বিশাল সংখ্যা খায়বৰত বসবাস কৰিব ধৰিলে। খায়বৰ আগৰেই পৰাই যুদ্ধত শক্তিশালী আছিল। এতিয়া মুছলমান সকলৰ বিৰুদ্ধে ভয়ানক ষড়যন্ত্ৰকাৰীৰ কেন্দ্ৰ হৈ পৰিল। এইটো আছিল বিশেষ পৃষ্ঠভূমি যে নবী কৰিম (ছাঃ)য়ে খোদাৰ আদেশ অনুসৰি এই সিদ্ধান্তত উপনীত হয় যে খায়বৰৰ ফালে আগবঢ়া যাওঁক।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে মূলতঃ ছুলাহ হুদায়বিয়া এটা ডাঙৰ বিজয় আছিল। কোৰআন কৰিমে এইটো মহান বিজয় বুলি ঘোষণা কৰিছে যিদৰে কৈছে যে **ইন্না ফাতাহনা লাকা ফাতহান মুবিনা** নিশ্চয় আমি তোমাক এটা সুস্পষ্ট বিজয় দান কৰিছোঁ, মহান বিজয়ৰ এইটো সেই দুৱাৰ আছিল যাৰ মাজেদি অতিক্ৰম কৰি খায়বৰ আৰু মক্কাৰ মহান বিজয় লাভৰ সৌভাগ্য হয়। বাস্তৱতে আল্লাহ তা'লাই সেই সময়তে খায়বৰৰ বিজয়ৰ প্ৰতিজ্ঞা কৰিছিল যেতিয়া ছুলাহ হুদায়বিয়াৰ পৰা উভতি অহা সময়ত মক্কা আৰু মদিনাৰ মাজভাগত ছুৰা ফাতাহ অৱতীৰ্ণ হৈছিল। ৰছুলুল্লাহ (ছাঃ)য়ে খায়বৰৰ ফালে যোৱাৰ বাবে মাত দি যেতিয়া ঘোষণা কৰে যে কেৱল সেইসকলে খায়বৰৰ ফালে যাব যিসকলে ছুলাহ হুদায়বিয়াত অংশ গ্ৰহণ কৰিছিল। এটা বৰ্ণনা অনুযায়ী আঁহজৰত (ছাঃ)য়ে কৈছে যে যিসকলে যুদ্ধলব্ধৰ উদ্দেশ্যে গৈ আছে তেওঁলোকে মোৰ সৈতে নাযাব, কেৱল সেইসকল লোকে মোৰ সৈতে যাব

যিসকলে যুদ্ধৰ বাবে আগ্ৰহী।

আল্লামা ইবনে ইছহাক আৰু ইবনে ছাআদে বৰ্ণনা কৰিছে যে পোনপ্ৰথমে খায়বৰৰ যুদ্ধত পতাকাৰ কথা উল্লেখ পোৱা যায়। ইয়াৰ আগতে কেৱল সৰু পতাকা আছিল। তেখেত (ছাঃ)ৰ পতাকা ক'লা আছিল যিটো হজৰত আয়শা (ৰাঃ)ৰ চাদৰেৰে তৈয়াৰ কৰা হৈছিল যাৰ নাম আছিল উকাব। বৰ্ণনা অনুযায়ী হজৰত আলি (ৰাঃ)ক এটা পতাকা দিয়াৰ কথা উল্লেখ পোৱা যায়, কিন্তু সেই পতাকা খায়বৰত দিয়া হৈছিল। এই ভ্ৰমণত উম্মুল মোমিনিন হজৰত উম্মে ছালমা (ৰাঃ) তেখেত (ছাঃ)ৰ লগত আছিল। আন এটা বৰ্ণনা অনুসৰি ছয় সাত জনী মহিলা চাহাবীও এই অভিযানত তেখেত (ছাঃ)ৰ লগতে আছিল, আন এটা বৰ্ণনা অনুসৰি বিশ মহিলা চাহাবী এই যুদ্ধত অংশ গ্ৰহণ কৰিছিল।

খায়বৰৰ ইহুদীসকলে যেতিয়া মুছলমান সকলৰ সেনা বাহিনীৰ কথা গম পায় তেতিয়া তেওঁলোকে প্ৰতিনিধিৰ এটা দল প্ৰস্তুত কৰি আশ-পাশৰ যোদ্ধা কবিলালৈ পঠিয়ায় যাতে তেওঁলোকৰ পৰা সেনা-বাহিনীৰ সহায়ৰ বাবে আবেদন কৰিব পাৰে। মুৰৰা কবিলাই দূৰদৰ্শিতা প্ৰদৰ্শন কৰি সহায় কৰাৰ পৰা অস্বীকাৰ কৰি দিয়ে; কিন্তু বনু আছদ আৰু বনু গোতফান যোদ্ধা কবিলাই সশস্ত্ৰ সেনা বাহিনীৰ সৈতে সহায় কৰাৰ বাবে প্ৰিস্তুত হৈ যায়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে ইয়াৰ বিস্তাৰিত বিৱৰণ ইনশা আল্লাহ আগলৈ বৰ্ণনা কৰিম। খোতবা ছানিয়াৰ আগতে হুজুৰ আনোৱাৰ (আইঃ)য়ে তিনিজন মৰহুমিন মাননীয় মহম্মদ আশ্বৰফ চাহাব ইবনে মাননীয় মহম্মদ বখশ চাহাব মণ্ডিয়া বাহাউদ্দিন, মাননীয় হাবিব মহম্মদ শ্বাতৰি চাহাব দ্বিতীয় নায়েব আমিৰ কেনিয়া ইবনে মাননীয় হাবিব শ্বাতৰি চাহাব আৰু মাননীয় ইনুবী মদিঙ্গু চাহাব জিম্বাৱেৰ স্মৃতিচাৰণ কৰি তেখেতসকলৰ জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে। হুজুৰ আনোৱাৰ (আইঃ)য়ে সকলো মৰহুমিনৰ সদগতি আৰু উচ্চ পদমৰ্যদাৰ বাবে দোৱা কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ.

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 31 JANUARY 2025**

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................
..............................................................................................................
..............................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB